# সাহিত্য অকাডেমীৰ উদ্যোগত আলোচনাচক্ৰ

প্ৰতিদিন বিশেষ সেৱা, গুৱাহাটী, ৮ ডিচেম্বৰ ঃ সাহিত্য অকাডেমীৰ উদ্যোগত কালি অনলাইনযোগে অনুষ্ঠিত হয় 'আধুনিক অসমীয়া সাহিত্যত নিম্নবৰ্গীয় জীৱন' বিষয়ক এখন আলোচনাচক্ৰ। পুৱা ১০.৩০ বজাৰ পৰা অনুষ্ঠিত আলোচনাচক্ৰখনত কবি দিগন্ত শইকীয়া, গল্পকাৰ গীতালি বৰা আৰু ইমৰান হুছেইনে অংশ লয়। আলোচনাত অংশ লৈ কবি তথা অনুবাদক দিগন্ত শইকীয়াই অসমীয়া উপন্যাস সাহিত্যত নিম্নবৰ্গীয় জীৱন সন্দৰ্ভত আলোকপাত কৰে। ইফালে গল্পকাৰ গীতালি বৰাই অতি সাম্প্ৰতিক গল্পকাৰৰ গল্পত নিম্নবৰ্গীয় সমাজখন কেনেধৰণে প্ৰতিফলিত হৈছে, সেই বিষয়ে বিশদভাৱে বিশ্লেষণ আগবঢ়ায়। ইফালে গল্পকাৰ ইমৰান হুছেইনে প্ৰসিদ্ধ গল্পকাৰ অপূৰ্ব কুমাৰ শৰ্মাৰ পৰা আৰম্ভ কৰি অৰূপ কুমাৰ নাথলৈকে গল্পকাৰসকলৰ গল্পত নিম্নবৰ্গীয় জীৱন সন্দৰ্ভত উল্লেখ কৰে।